# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-11-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***
**-------------------**
**::::::::::::::::::::**

ৰাজ্যত বৰ্তমান ১৪ খন চিকিৎসা মহাবিদ্যালয়ত চিকিৎসা প্ৰদানৰ লগতে ছাত্ৰ-ছাত্ৰীক নিয়মীয়াকৈ পাঠদান কৰি থকা হৈছে। বিধানসভাত আজি বিধায়ক আব্দুল কালাম ৰছিদ আলমৰ এটা প্ৰশ্নৰ লিখিত উত্তৰত স্বাস্থ্য আৰু পৰিয়ালকল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহলে এই কথা প্ৰকাশ কৰি কয়, যে নতুনকৈ আৰু ১৩ খন চিকিৎসা মহাবিদ্যালয়ৰ আন্তঃগাঁথনি নিৰ্মাণৰ কাম হাতত লোৱা হৈছে। ইয়াৰ ভিতৰত বঙাইগাঁও চিকিৎসা মহাবিদ্যালয়, বিশ্বনাথ চিকিৎসা মহাবিদ্যালয়, চৰাইদেউ চিকিৎসা মহাবিদ্যালয় আৰু তামুলপুৰ চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য প্ৰায় সম্পূৰ্ণ হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে হাইলাকান্দি আৰু হোজাই চিকিৎসা মহাবিদ্যালয়ৰ বাবে প্ৰয়োজনীয় ভূমি চিনাক্তকৰণৰ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে। আশা কৰ্মীৰ মাননী সন্দৰ্ভত সোধা আন এটা প্ৰশ্নৰ উত্তৰত শ্ৰী সিংহলে কয়, যে ৰাজ্যত বৰ্তমান ৩৩ হাজাৰ ৪২১ গৰাকী আশা কৰ্মীয়ে মাহিলী পাৰিতোষিক লাভ কৰি আছে।

ইপিনে মিছন বসুন্ধৰাৰ জৰিয়তে ভূমিপট্টা প্ৰদান সন্দৰ্ভত বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ এটা প্ৰশ্নৰ উত্তৰত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই কয়, যে এই আঁচনিৰ জৰিয়তে বৰ্তমানলৈকে ৰাজ্যৰ তিনি লাখ তিনি হাজাৰ ৯২৫ টা পৰিয়ালক ভূমি পট্টা প্ৰদান কৰা হৈছে। তেওঁ কয়, যে কামৰূপ মহানগৰ জিলা আয়ুক্তৰ পৰা লাভ কৰা তথ্য অনুসৰি গুৱাহাটী মহানগৰীত এহেজাৰ ১২ টা পৰিয়ালক ভূমি পট্টা প্ৰদান কৰ হৈছে। তেওঁ লগতে কয়, গুৱাহাটী মহানগৰীৰ পাহাৰৰ বনভূমিত বহু বছৰ ধৰি বসবাস কৰা জনজাতীয় পৰিয়ালক বন অধিকাৰ আইন ২০০৬ অনুযায়ী ভূমি পট্টা দিয়াৰ ব্যৱস্থা কৰা হৈছে আৰু ইতিমধ্যে ৯২ টা জনজাতি পৰিয়ালে ভূমি পট্টা লাভ কৰিছে।

০০০০০

হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে ৩০০ টকাকৈ জলপানি প্ৰদানৰ ব্যৱস্থা আজি আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হয়। এই উপলক্ষে পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকে। চলিত মাহৰ পৰা অহা চাৰি মাহলৈ দশম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে এই জলপানি লাভ কৰিব। শিক্ষাৰ্থীসকলৰ আত্মবিশ্বাস আৰু মনোবল বৃদ্ধিৰ উপৰি তেওঁলোকৰ অধ্যয়নৰ সামগ্ৰী তথা পুষ্টিকৰ খাদ্য ক্ৰয়ত সহায়ৰ বাবে **প্ৰেৰণা** শীৰ্ষক জলপানিৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ জৰিয়তে ৰাজ্যৰ চাৰি লাখ ৪০ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব বুলি আশা কৰা হৈছে।

অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে ৰাজ্যত সম্প্ৰতি শিক্ষা ব্যৱস্থা যথেষ্ট উন্নত হৈছে আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উপযুক্ত শিক্ষা গ্ৰহণৰ বাবে এটা পৰিকাঠামো নিৰ্মাণ কৰা হৈছে।

*(বাইট ঃ ড০ শৰ্মা)*

০০০০০

গ্ৰেপ্তাৰ পদ্ধতি আৰু আৰক্ষীৰ জবাবদিহিতা বিষয়ত হাটশিঙিমাৰী জিলা আদালতত জিলা আইন সেৱা প্ৰাধিকাৰীয়ে আজি এখন বিশেষ সজাগতা সভা অনুষ্ঠিত কৰে। ৰাজ্যিক আৰক্ষীৰ জবাবদিহিতা আয়োগৰ অধ্যক্ষা আৰু প্ৰাক্তন ন্যায়াধীশ ৰুমী কুমাৰী ফুকনে এই সভাত ভাৰ্চুৱেলী অংশগ্ৰহণ কৰে। কাৰ্যসূচীটোত ন্যায়াধীশ সঞ্জয় হাজৰিকা, মুখ্য ন্যায়িক দণ্ডাধীশ শ্বৰ্বানী ভট্টাচাৰ্য্য, জিলা আইন সেৱা সচিব জয়ন্ত কুমাৰ শইকীয়াকে ধৰি ভালেসংখ্যক আইন সেৱা বিষয়া আৰু আৰক্ষী বিষয়া উপস্থিত থাকে। সাধাৰণ নাগৰিক, আইনৰ শিক্ষাৰ্থী আৰু ন্যায়পালিকা ব্যৱস্থাৰ সৈতে জড়িত  ব্যক্তিসকলৰ মাজত আইনী সজাগতা বৃদ্ধি কৰাৰ বাবে এই কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। অভিযুক্তক গ্ৰেপ্তাৰৰ নীতি নিয়ম, আৰক্ষীৰ জবাবদিহিতা আদি বিষয়ত ৰুমী কুমাৰী ফুকনে বিশদভাৱে ব্যাখ্যা কৰে। গ্ৰেপ্তাৰৰ ক্ষেত্ৰত জামিন প্ৰাপ্তিৰ সুযোগ আৰু সুবিধাসমূহৰ সন্দৰ্ভত আৰক্ষীক সচেতন হৈ কাম কৰিবলৈ শ্ৰীমতী ফুকনে আহ্বান জনায়।

ooooo

নগাঁও জিলা প্ৰশাসনে কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত লুটুমাৰী সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ছহেজাৰ বিঘা দখলীকৃত মাটিত কাইলৈ উচ্ছেদ অভিযান আৰম্ভ কৰিব। কাইলৈ পুৱা ৭ বজাৰ পৰা বনাঞ্চলখনত উচ্ছেদ অভিযান চলোৱা হ'ব বুলি জিলা প্ৰশাসনে সদৰি কৰিছে। ইতিমধ্যে উচ্ছেদ অভিযানৰ বাবে অস্থায়ী আৰক্ষী শিৱিৰ স্থাপন কৰা হৈছে। বন বিভাগৰ সূত্ৰই জনোৱা অনুযায়ী বনাঞ্চলখনৰ ৫ হাজাৰ ৯৬২ বিঘা মাটিত এহেজাৰ ৭০০টা পৰিয়ালে অবৈধভাৱে বাস কৰি আছে। অঞ্চলটোত উচ্ছেদৰ বাবে ইতিপূৰ্বে প্ৰশাসনে নিৰ্দিষ্ট সময় বান্ধি দিছিল যদিও শস্য চপোৱাৰ বাবে অতিৰিক্ত সময় নিৰ্ধাৰণ কৰি দিয়া হয়। অভিযানৰ প্ৰাকমুহূৰ্তত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই উচ্ছেদ অভিযান চলাবলগীয়া ঠাইত উপস্থিত হৈ দখলকাৰীসকলক নিজৰ ভূমিলৈ ঘুৰি যাবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে দখলকাৰীসকলৰ একাংশই ইতিমধ্যেই দখলীকৃত ভূমিৰ পৰা আঁতৰি গৈছে।

ooooo

সমাপ্ত